নং ঃ ১৭২/২০২১

# ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া অনুৰাগ টাংখাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৯ জুলাই ঃ** আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ মহাপৰিদৰ্শক হিচাপে কেন্দ্ৰীয় ডেপুটেশ্যনত থকা ভাৰতীয় আৰক্ষী সেৱাৰ অসম কেডাৰৰ জ্যেষ্ঠ বিষয়া অনুৰাগ টাংখাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অনুৰাগ টাংখাৰ বিয়োগত ৰাজ্য তথা দেশবাসীয়ে এগৰাকী নিষ্ঠাৱান আৰক্ষী বিষয়াক হেৰুৱালে। আৰক্ষী বিষয়াগৰাকীয়ে চাকৰিৰ আৰম্ভণিৰে পৰা অসমৰ বিভিন্ন স্থানত সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰি বিভিন্ন আইন-শৃংখলাজনিত পৰিস্থিতি নিয়ন্ত্ৰণৰ দিশত অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী আৰক্ষী বিষয়াৰ বিয়োগ আমাৰ ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অনুৰাগ টাংখাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / প্ৰঃকুঃবঃ**
**১৯/০৭/২০২১**